# 2014

## ASSAMESE

( Major )

Paper : 3.1

**( Asamiya Bhasha )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×১০=১০

(ক) কোন পৰিয়ালৰ ভাষা গোটেই পৃথিৱীতে বিয়পি আছে ?

(খ) কোনজন পণ্ডিতে ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীক 'আৰ্য' নামকৰণৰ পৃষ্ঠপোষকতা কৰিছিল ?

(গ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ভিতৰত কোন ভাষাক অন্তৰ্ভুক্ত কৰা হয় ?

(ঘ) পাণিনিয়ে কোন ভাষাৰ ৰূপ নিৰ্দিষ্ট কৰি দিছিল ?

(ঙ) ভাৰতৰ একেবাৰে পূব অঞ্চলত কথিত নব্য-ভাৰতীয় আৰ্যভাষাটোৰ নাম কি ?

(চ) গ্ৰিয়াৰছনে কোন অঞ্চলৰ ভাষাক 'ৰাজবংশী' বুলি নামকৰণ কৰিছিল ?

(ছ) 'বড়ো' কোনটো ভাষাগোষ্ঠীৰ অন্তৰ্গত ভাষা ?

(জ) শ্যাম-চীন গোষ্ঠীৰ প্ৰধান ভাষা কি ?

(ঝ) অসমীয়া ভাষাৰ প্ৰধান উপভাষা দুটা কি কি ?

(ঞ) অসমীয়া ভাষাত ব্যৱহৃত দুটা খাচী শব্দ উল্লেখ কৰা ।

২ । চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালৰ প্ৰধান ভাগ কেইটা আৰু কি কি ?

(খ) ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালটোৰ জন্মস্থান কি কাৰণত ইউৰোপলৈ স্থানান্তৰিত কৰা হ'ল ?

(গ) বৈদিক সাহিত্যক কালানুক্ৰমিকভাৱে কি কি তিনিটা পৰ্যায়ত ভাগ কৰিব পাৰি ?

(ঘ) অষ্ট্ৰো-এচীয় শাখাৰ দুটা ভাষাৰ নাম লিখা ।

(ঙ) নামনি অসমৰ উপভাষাক কেইটা ভাগত ভাগ কৰিছে আৰু কি কি ?

৩ । যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালৰ নামকৰণৰ তাৎপৰ্য সম্পৰ্কে আলোচনা কৰা ।

(খ) অৰ্ধমাগধী প্ৰাকৃতৰ ধ্বনিতাত্ত্বিক বিশেষত্ব উল্লেখ কৰা ।





(গ) পালি-প্ৰাকৃত আৰু অপভ্ৰংশ ভাষাৰ মাজৰ সম্পৰ্ক নিৰূপণ কৰা ।

(ঘ) অসমীয়া ভাষা বিকাশৰ স্তৰকেইটা নিৰ্দেশ কৰি আলোচনা আগবঢ়োৱা ।

(ঙ) কামৰূপী উপভাষাৰ পাঁচটা ভাষাগত বৈশিষ্ট্য নিৰূপণ কৰি মান্য অসমীয়াৰ লগত ইয়াৰ পাৰ্থক্য নিৰ্ণয় কৰা ।

(চ) অসমীয়া ভাষাত তিব্বত-বৰ্মী ভাষাৰ প্ৰভাৱ কেনেদৰে পৰিছে, চমুকৈ আলোচনা কৰা ।

৪ । (ক) ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ চমুকৈ লিখা । ৫+৫=১০

*নাইবা*

(খ) ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালৰ ধ্বনি পৰিৱৰ্তনৰ ধাৰা সম্পৰ্কে লিখা । ১০

৫ । (ক) ভাৰতীয় আৰ্যভাষাৰ বুৰঞ্জীক কেইটা স্তৰত ভাগ কৰা হৈছে ? প্ৰতিটো স্তৰৰ বিষয়ে চমুকৈ লিখা । ৩+৭=১০

*নাইবা*

(খ) মাগধী প্ৰাকৃতৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ লিখা । ১০

৬। (ক) অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কে কেইটা মত পোৱা যায়? মতসমূহ কি কি? কোনটো মত গ্ৰহণযোগ্য বুলি ভাবা, নিজৰ যুক্তি প্ৰতিপন্ন কৰা। ১০

*নাইবা*

(খ) অসমীয়া ভাষালৈ আৰ্য-ভিন্ন উপাদান সম্পৰ্কে আলোচনা কৰা।

৭। (ক) অসমীয়া ভাষাৰ শব্দসম্ভাৰৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰা। ১০

*নাইবা*

(খ) মান্য অসমীয়া ভাষাৰ লগত গোৱালপৰীয়া উপভাষাৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা।

★★★